# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - - - - - - - - - -

১। দেশৰ ৭ খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ফলাফল ঘোষণা। কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছৰ ৪খনকৈ আসনত জয়লাভৰ বিপৰীতে বিজেপিৰ দুখনকৈ আসনত জয়লাভ। আম আদমী পাৰ্টি আৰু ডি এম কেৰ এখনকৈ আসনত বিজয় সাব্যস্ত।

২। কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে অসমৰ আন্তঃগাঁথনি উন্নয়ন বিষয়ত আলোচনা।

৩। মুখ্যমন্ত্ৰীৰ নগাঁও জিলাৰ ৰহাত নিৰ্মীয়মান জোঙাল বলহু পৰ্যটন ক্ষেত্ৰ পৰিদৰ্শন।

৪। ২০২৬ চনৰ পেৰা এছিয়ান গেমছ আৰু ২০২৮ চনৰ পেৰা অলিম্পিককৈ প্ৰস্তুতিৰ কাৰণে অসম পেৰা অলিম্পিক সংস্থাৰ বিশেষ অনুশীলন কাৰ্যসূচীৰ আয়োজন।

**আৰু**

৫। আজি হাৰাৰেত অনুষ্ঠিত চতুৰ্থখন টি-২০ খেলত জিম্বাব'ৱেৰ ভাৰতক জয়ৰ বাবে ১৫৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

৭ খন ৰাজ্যৰ ১৩টা বিধানসভা সমষ্টিৰ বাবে ১০ জুলাইত অনুষ্ঠিত উপ নিৰ্বাচনত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছে ৪খনকৈ আসনত জয়লাভ কৰাৰ বিপৰীতে বিজেপিয়ে দুখন আৰু আম আদমী পাৰ্টি তথা ডি এম কেয়ে এখনকৈ আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। ইফালে বিহাৰত নিৰ্দলীয় প্ৰাৰ্থী শংকৰ সিঙে নিকটতম প্ৰতিদ্বন্দ্বী তথা জে ডি ইউৰ প্ৰাৰ্থী কালাধৰ প্ৰসাদ মণ্ডলক ৮ হাজাৰ ২৪৬টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি ৰূপৌলী বিধানসভা সমষ্টিত জয়লাভ কৰিছে। পঞ্জাবত শাসকীয় আম আদমী পাৰ্টিয়ে জলন্ধৰ পশ্চিম সংৰক্ষিত বিধানসভা আসনত জয়লাভ কৰাৰ বিপৰীতে হিমাচল প্ৰদেশত শাসকীয় কংগ্ৰেছ দলে ডেহৰা আৰু নাগাগড় বিধানসভা আসনত জয়লাভ কৰিছে। ইফালে বিজেপিয়ে হিমাচল প্ৰদেশৰ হামিপুৰ বিধানসভা সমষ্টিত বিজয় সাব্যস্ত কৰিছে। পশ্চিমবংগত শাসকীয় দল তৃণমূল কংগ্ৰেছে ৰাণাঘাট দক্ষিণ, মানিকতলা আৰু বাগদা আসনত জয়লাভ কৰে। উত্তৰাখণ্ডৰ বদ্ৰীনাথ আৰু মংগলৌৰ বিধানসভা আসনত কংগ্ৰেছে বিজয় সাব্যস্ত কৰিবলৈ সমৰ্থ হৈছে। আনহাতে বিজেপি প্ৰাৰ্থী কমলেশ প্ৰতাপ শ্বাহে মধ্যপ্ৰদেশৰ অমৰৱাৰা আসনত জয়লাভ কৰিছে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসম আৰু মেঘালয়লৈ অহা ড'নাৰমন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি গুৱাহাটীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাত মিলিত হয়। ফোৰ জি তথা ফাইভ জি আৰু উচ্চ গতিসম্পন্ন ইণ্টাৰনেট সেৱা বৃদ্ধিৰে অসমত ডিজিটেল আন্তগাঠনি উন্নত কৰা, টেলিকম আন্তঃগাঁঠনি

সেৱাৰ বাবে দক্ষ মানৱ সম্পদ বিকশিত কৰাৰ পথ প্ৰশস্তকৰণ, বানক্ষতিগ্ৰস্ত এলেকাত নেটৱৰ্ক ক্ষীপ্ৰতাৰে পুনঃসংযোগকৰণ নিশ্চিত কৰাৰ বাবে শেহতীয়া প্ৰযুক্তি গ্ৰহণকে ধৰি ভালেসংখ্যক গুৰুত্বপূৰ্ণ বিষয়ত মন্ত্ৰী দুগৰাকীয়ে আলোচনাত মিলিত হয়। ইয়াৰ উপৰিও উত্তৰ পূব পৰিষদৰ সৈতে উন্নত সমন্বয় আৰু ড'নাৰৰ দ্বাৰা অনুমোদিত আঁচনিসমূহৰ দ্ৰুত ৰূপায়নৰ বিষয়েও ড'নাৰমন্ত্ৰীগৰাকীয়ে আলোচনাত উল্লেখ কৰে।

০০০০০

নগাঁও জিলাৰ ৰহাত প্ৰায় ৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মীয়মান জোঙাল বলহু পৰ্যটন ক্ষেত্ৰ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰীয়ে বিগত দুবছৰৰ আগতে আৰম্ভ কৰা পৰ্যটন ক্ষেত্ৰখনৰ প্ৰথম পৰ্যায়ৰ কাম অহা বছৰতে সমাপ্ত হ'ব বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে। তিৱা জনগোষ্ঠীৰ বৰ্ণাঢ্য সংস্কৃতিক বিশ্ববাসীৰ সন্মুখত প্ৰদৰ্শন কৰাৰ বাবে এই প্ৰকল্পত আৰু কি কি উপাদান সংযোগ কৰিব পৰা যায়। এই বিষয়ে মুখ্যমন্ত্ৰীয়ে তিৱা স্বায়ত্বশাসিত পৰিষদৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰে বুলিও জানিবলৈ দিয়ে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস আৰু ৰমাকান্ত দেউৰী উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ শক্তি, জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ সম্ভাব্য তালিকাত থকা চৰাইদেউ মৈদামক্ষেত্ৰ পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে, ভাৰত চৰকাৰে চলিত বৰ্ষত বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে কেৱল আহোম ৰাজত্ব কালৰ গৌৰৱময় ঐতিহ্য বহনকাৰী চৰাইদেউ মৈদামকে মনোনীত কৰিছে। এই উদ্দেশ্যৰে অহা ২১ জুলাইৰ পৰা ৩১ জুলাইলৈকে নতুন দিল্লীত অনুষ্ঠিত হবলগীয়া ইউনেস্কোৰ বিশ্ব ঐতিহ্য সমিতিৰ ৪৪ সংখ্যক সন্মিলনত মনোনয়ন প্ৰেৰণ কৰা স্থানসমূহৰ বিষয়ে আলোচনা কৰা হ'ব। সন্মিলনৰ পূৰ্বে মৈদামক্ষেত্ৰ পৰিদৰ্শন কৰি মন্ত্ৰী শ্ৰীগাৰ্লোচাই সোণাৰী সমষ্টিৰ বিধায়ক  আৰু অসম প্ৰত্নতত্ব বিভাগৰ সঞ্চালককে ধৰি বিভাগীয় বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ভাইব্ৰেণ্ট ভিলেজ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণৰ পৰ্যালোচনাৰ বাবে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে।  মন্ত্ৰীগৰাকীয়ে বৈঠকত কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় চৰকাৰ সীমান্ত অঞ্চলৰ গাওঁসমূহৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে বদ্ধপৰিকৰ। তেওঁ লগতে স্থানীয় বাসিন্দাসকলক নিয়োগৰ সুবিধা প্ৰদান কৰাৰ উপৰি গাওঁসমূহৰ মাজত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এনে ব্যৱস্থা গ্ৰহণৰ ফলত  সীমান্ত অঞ্চলৰ গাওঁসমূহৰ পৰা প্ৰব্ৰজন হ্ৰাস পাব বুলিও কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। তেওঁ কয় যে, এই গাওঁসমূহত নিয়োজিত সেনা বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ লোকসকলে জনসাধাৰণক স্থানীয় কৃষি সামগ্ৰী আৰু সমবায়ৰ জৰিয়তে হস্তশিল্পজাত সামগ্ৰীসমূহ ক্ৰয়ৰ ক্ষেত্ৰত উৎসাহিত কৰা উচিত। তদুপৰি এই বাহিনীসমূহৰ বাবে আগবঢ়োৱা স্বাস্থ্য সেৱাৰ সুবিধা সমীপৱৰ্তী গাওঁসমূহৰ জনসাধাৰণলৈ উপলব্ধ কৰা উচিত বুলি তেওঁ উল্লেখ কৰে। শ্ৰীশ্বাহে কয় যে, এই গাঁওমূহত নিয়োগ সৃষ্টিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৬০০ টাৰো অধিক প্ৰকল্পত অনুমোদন জনাইছে। ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ অধীনত ১৩৬ খন সীমান্তৱৰ্তী গাওঁত ১১৩ টা সকলো  বতৰৰ উপযোগী পথ প্ৰকল্প ৰূপায়ণৰ দ্বাৰা যাতায়াতৰ ক্ষেত্ৰত উন্নত কৰাৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰকল্পসমূহ ৰূপায়ণত ২ হেজাৰ ৪২০ কোটি টকা ব্যয় কৰা হব। উল্লেখযোগ্য যে ২০২৩ চনৰ ১৫

ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰে অৰুণাচল প্ৰদেশ, হিমাচল প্ৰদেশ, চিকিম, উত্তৰাখণ্ড, আৰু দেশৰ উত্তৰ সীমান্তৰ ১৯ খন জিলাৰ ৪৬ টা উন্নয়ন খণ্ডত কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰে এই আঁচনি আৰম্ভ কৰিছিল।

০০০০০

অসম কন্যা যুৱ বিজ্ঞানী বৃন্দা কাশ্যপে ২০২৪ বৰ্ষৰ কাৰণে ইউনেস্কোৰ মেন এণ্ড বায়'ডাইভাৰছিটি য়ং চাইণ্টিষ্ট বঁটা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। দেশৰ ভিতৰত একমাত্ৰ যুৱ বিজ্ঞানী হিচাপে এই সন্মান লাভ কৰিবলৈ সমৰ্থ হোৱা শ্ৰীকাশ্যপক অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে যুৱ বিজ্ঞানীগৰাকীৰ সফল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখযোগ্য যে ১৯৮৯ চনত প্ৰৱৰ্তন কৰা ইউনেস্কোৰ এই বঁটাত জৈৱ বৈচিত্ৰ, প্ৰাকৃতিক সম্পদ আৰু পৰিবেশ তন্ত্ৰ বিষয়ত গৱেষণা কৰি থকা যুৱ বিজ্ঞানীসকলক উৎসাহিত কৰাৰ বাবে ৫ হাজাৰ ইউ এছ্ ডলাৰৰ গৱেষণা সাহায্য আগবঢ়োৱা হয়।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ চুক্তিভিত্তিক সম্পাদনা  সহায়ক আৰু বাতৰি পৰিৱেশক তথা অনুবাদক পদত নিযুক্তিৰ  বাবে কাইলৈ গুৱাহাটীৰ কটন কলেজিয়েট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। মুঠ ১০০ নম্বৰৰ এই পৰীক্ষা দিনৰ ১১ বজাৰ পৰা ১ বজালৈকে অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলক দিনৰ ১০ বজাত যাৱতীয় তথ্যপাতিৰ লগতে ফটো পৰিচয় পত্ৰসহ পৰীক্ষাস্থলীত উপস্থিত হ'বলৈ কোৱা হৈছে।

০০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী সম্পূৰ্ণতা অভিযান অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম ৩ মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুৎ যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও এতিয়াও ৰাজ্যৰ ২৪ খন জিলাৰ প্ৰায় ১৪ লাখ লোক বানৰ কবলত আছে। ব্ৰহ্মপুত্ৰ, বৰাককে ধৰি প্ৰধান প্ৰধান নদীসমূহৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৭৫টা ৰাজহ চক্ৰৰ দুহেজাৰ ৪০৬খন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। এই বানত ৩৯ হাজাৰ হেক্টৰতকৈ অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। শেহতীয়া বানত ৯০ জন লোকে প্ৰাণ হেৰুৱাৰ তথ্য পোৱা গৈছে। ৰাজ্য চৰকাৰে স্থাপন কৰা ২৯১টা আশ্ৰয় শিবিৰত ৪১ হাজাৰতকৈ অধিক লোকে আশ্ৰয়

লৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, আৰক্ষী আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ স্বেচ্ছাসেৱক সকলে বান ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

ইফালে বানত হোৱা ক্ষয়-ক্ষতিৰ সঠিক মূল্যায়ন হোৱাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অসমলৈ আৰ্থিক অনুদান প্ৰেৰণ কৰিব বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। বিভিন্ন জিলাত প্ৰশাসনে বানৰ ক্ষয়-ক্ষতি সন্দৰ্ভত পৰ্যালোচনা অব্যাহত ৰাখিছে। আজি ৰাজ্য চৰকাৰৰ প্ৰধান সচিব তথা লখিমপুৰ জিলাৰ অভিভাৱক সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনৰ আটাইকেইটা ৰাজহ চক্ৰৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু বিভিন্ন বিভাগৰ মুৰব্বীসকল উপস্থিত থাকে। বৈঠকত জিলাখনৰ আয়ুক্তই বানত হোৱা ক্ষয়-ক্ষতিৰ খতিয়ান অভিভাৱক সচিবগৰাকীক দাঙি ধৰে। প্ৰধান সচিবগৰাকীয়ে লগতে জিলাখনৰ খেতি পথাৰ, পশুধন, মীন পালনৰ পুখুৰী আদিৰ ক্ষতিৰ বুজ লোৱাৰ উপৰি লোকনিৰ্মাণ পথ, এ পি ডি চি এলৰ মুৰব্বী বিষয়াসকলৰ সৈতে আলোচনা কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। এই বৈঠকত ঢকুৱাখনা মহকুমাৰ মহকুমাধিপতিয়ে বিভিন্ন অঞ্চলত বানৰ ফলত হোৱা ক্ষতি সম্পৰ্কে অভিভাৱক সচিবগৰাকীক অৱগত কৰে।

ইপিনে নগাঁও জিলাৰ কলিয়াবৰৰ বান পৰিস্থিতি এতিয়াও স্বাভাৱিক হোৱা নাই। যোৱা ২ জুলাইত হাতীমূৰাৰ শ্লুইছ গে’ট ভাঙি কলঙেৰে সোমাই অহা ব্ৰহ্মপুত্ৰৰ পানীয়ে কলিয়াবৰৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত কৰিছিল। এইপৰ্যন্ত কলিয়াবৰৰ ৯৮খন গাঁৱৰ ৫৩ হাজাৰো অধিক লোক আৰু প্ৰায় ৩০ হাজাৰ হেক্টৰ কৃষি ভূমি ক্ষতিগ্ৰস্ত হৈছে। অঞ্চলটোত ৰবি শস্যৰ লগতে শালিধানৰ খেতি নষ্ট হোৱাত কৃষকৰ সমস্যাৰ সৃষ্টি হৈছে। আনহাতে গোলাঘাট জিলাৰ বংকোৱালত বানে ছিঙি নিয়া মথাউৰি নিৰ্মাণৰ কাম পূৰ্ণগতিত অব্যাহত আছে। সংশ্লিষ্ট বিভাগে ১৫ আগষ্টৰ ভিতৰত মথাউৰিৰ কাম সম্পূৰ্ণ কৰাৰ চেষ্টা চলাইছে। একেদৰে যাতায়াতৰ কেইবাটাও মূল পথ বানে খহাই নিয়াত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে।

শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আজি গোলাঘাট জিলা প্ৰশাসনৰ বিষয়া বৰ্গৰ সৈতে বংকোৱাল গাঁৱত উপস্থিত হৈ ছিঙা মথাউৰি পৰিদৰ্শন কৰাৰ লগতে ৰাইজৰ অভাৱ-অভিযোগৰ বুজ লয়। মথাউৰিটো ছিগাৰ ফলত উত্তৰ মহুৰা আৰু দিচৈ গাঁও পঞ্চায়তৰ কমেও ২০ খন গাঁও প্লাৱিত হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, জলসম্পদ বিভাগে মথাউৰিটোৰ পুনৰ নিৰ্মাণৰ কাম দ্ৰুতগতিত অব্যাহত ৰাখিছে।

ইপিনে বান ক্ষতিগ্ৰস্ত বিভিন্ন অঞ্চলত জলজীৱন অভিযান অসমৰ আঁচনিসমূহ কাৰ্যক্ষম হৈ থকাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণে বিশুদ্ধ পানী লাভ কৰিবলৈ সমৰ্থ হৈছে। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই বিষয়ে প্ৰকাশ কৰি কয় যে, দুৰ্যোগৰ সময়তো অভিযানৰ কৰ্মচাৰীসকলে জনসাধাৰণক খোৱাপানী যোগানৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এতিয়ালৈ ৰাজ্যখনৰ ৭ হাজাৰখন গাঁৱৰ ৫৭ লাখৰো অধিক গাঁৱৰ পৰিয়ালে এই অভিযানৰ অধীনত ঘৰতে নলযোগে খোৱাপানী লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

কামৰূপ মহানগৰ জিলা আয়ুক্তৰ অধ্যক্ষতাত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ পথ সুৰক্ষা সন্দৰ্ভত গ্ৰহণ কৰা কাৰ্যপন্থাসমূহ পৰ্যালোচনা কৰা হয়। জিলাখনত বিগত ৩ মাহত পূৰ্বতকৈ পথ দুৰ্ঘটনা হ্ৰাস পোৱা বুলি উল্লেখ কৰি জিলা আয়ুক্তগৰাকীয়ে পৰৱৰ্তী সময়ত মহানগৰীৰ ৰাজপথ দুৰ্ঘটনামুক্ত আৰু সুৰক্ষিত কৰি তোলাৰ বাবে বিভাগসমূহক দায়বদ্ধতাৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়। তদুপৰি দুৰ্ঘটনাৰ সম্ভাৱনা থকা এলেকাৰ ডিভাইডাৰসমূহত উচ্চ

ক্ষমতাসম্পন্ন ষ্ট্ৰীট লাইট স্থাপন, পথচাৰীৰ বাবে ক্ৰচিঙৰ ব্যৱস্থা কৰা, বিভিন্ন স্থানত অবৈধভাৱে গঢ় লৈ উঠা দোকান-বজাৰ আদি উচ্ছেদ কৰাৰ বাবেও সিদ্ধান্ত লোৱা হয়। বৈঠকত সজাগতা সৃষ্টিৰ লগতে গুৱাহাটীৰ বিভিন্ন এলেকাৰ ঘাইপথত দুৰ্ঘটনাৰ আশংকা থকা স্থানসমূহ প্ৰদৰ্শন কৰা হয়।

ooooo

ৰাজ্যৰ শ্ৰমিক কল্যান মন্ত্ৰী সঞ্জয় কিশাণে আজি তিনিচুকীয়া পৌৰসভাৰ অন্তৰ্গত পুনৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা ২০ টাৰো অধিক পথৰ শুভ উদ্বোধন কৰে। উল্লেখযোগ্য যে আজি উদ্বোধন কৰা পথকেইটাৰ নিৰ্মাণৰ বাবে ২০২৩ বৰ্ষত আধাৰশিলা স্থাপন কৰা হৈছিল। ইয়াৰ লগতে অসম চৰকাৰ আৰু তিনিচুকীয়া পৌৰসভাৰ যৌথ উদ্যোগত নিৰ্মীয়মান ভালেসংখ্যক বাট পথ আৰু নলা নৰ্দমা নিৰ্মাণ কাৰ্যৰো মন্ত্ৰীগৰাকীয়ে পৰ্যবেক্ষণ কৰে। বিগত সময়ত তিনিচুকীয়া চহৰৰ আন্তঃগাথনিমূলক বিকাশ সুনিশ্চিত কৰিবলৈ তিনিচুকীয়া পৌৰসভাৰ দ্বাৰা ভালেমান উন্নয়নমূলক প্ৰকল্প হাতত লোৱা হৈছে।

ooooo

অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনস্থ ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছফোৰে আজি ধুবুৰী চহৰৰ কেইবাটাও হৰিজন কলনিলৈ গৈ সম্প্ৰদায়টোৰ লোকসকলৰ দৈনন্দিন জীৱন যাপনৰ মানৰ বুজ লয়। অধ্যক্ষগৰাকীয়ে হৰিজন সম্প্ৰদায়ৰ লোকসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰাৰ লগতে বানপানীৰ সময়ত সম্প্ৰদায়টোৱে নিৰ্ধাৰিত বান সাহায্য লাভ কৰিছেনে নাই সেই বিষয়েও খতিয়ান লয়। চহৰখনৰ ডি কে ৰোডৰ কাষত থকা হৰিজন কলনি পৰিদৰ্শন কৰি শ্ৰীবাছফোৰে এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। ধুবুৰী পৌৰ সভাৰ উপ সভানেত্ৰীৰ লগতে কাৰ্যবাহী বিষয়া তথা বিভিন্ন সমাজসেৱী সংগঠনৰ প্ৰতিনিধি উপস্থিত থকা সভাখন সম্পৰ্কে শ্ৰীবাছফোৰে সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ কয় যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই হৰিজন সম্প্ৰদায়ৰ লোকসকলৰ আৰ্থসামাজিক উন্নয়নৰ কাৰণে বিশেষ কাৰ্যপন্থা হাতত লৈছে। ইয়াৰ অধীনত সম্প্ৰদায়টোৰ ধুবুৰীৰ বাসিন্দাসকলৰ উন্নয়নৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব বুলি তেওঁ আজি জানিবলৈ দিয়ে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সম্পূৰ্ণতা অভিযান আৰু পৰিপুষ্টি  সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নগাওঁ চিকিৎসা মহাবিদ্যালয়ৰ কমিউনিটি মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ মৌচুমী কৃষ্ণাত্ৰেয় সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

ooooo

অসম পেৰা অলিম্পিক সংস্থাই ২০২৬ চনৰ পেৰা এছিয়ান গেমছ আৰু ২০২৮ চনৰ পেৰা অলিম্পিকলৈ ৰাজ্যৰ খেলুৱৈসকলক সাজু কৰাৰ লক্ষ্যৰে প্ৰথম পৰ্যায়ৰ প্ৰস্তুতি শিবিৰ আৰম্ভ কৰাৰ বাবে পদক্ষেপ হাতত লৈছে। উল্লেখযোগ্য যে বিগত সময়ছোৱাত অসমৰ পেৰা ক্ৰীড়াবিদসকলে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এই অনুযায়ী চীনত অনুষ্ঠিত পেৰা এছিয়ান গেমছত আনোৱাৰ ছিকদাৰে ভাৰতীয় সাঁতোৰ দলক প্ৰতিনিধিত্ব কৰিছিল। ইটালীত অনুষ্ঠিত বিশ্ব পেৰা চেম্পিয়নতো খেলুৱৈগৰাকীয়ে দেশক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাইছিল। অসমৰ পেৰা সাঁতোৰবিদসকলৰ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সফলতাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ ৰাজ্যিক সংস্থাটোৱে ছগৰাকীক খেলুৱৈক জাপানত হ'বলগীয়া পেৰা এছিয়ান গেমছ আৰু আমেৰিকাত হ'বলগীয়া পেৰা অলিম্পিকলৈ সাজু কৰাৰ লক্ষ্যৰে উন্নত প্ৰশিক্ষণ দিবলৈ মনস্থ

কৰিছে। এই উদ্দেশ্যেৰে সংস্থাটোৱে ষ্টেট বেংক অৱ ইণ্ডিয়াৰ সৈতে এখন চুক্তি সম্পন্ন কৰিছে। চুক্তি অনুসৰি ৰাজ্যৰ ৬ গৰাকী নিৰ্বাচিত পেৰা সাঁতোৰবিদক এবছৰৰ বাবে অৰ্থাৎ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কাৰণে অনুশীলনৰ সকলো ব্যয় ষ্টেট বেংক অৱ ইণ্ডিয়াই বহন কৰিব। চুক্তি অনুসৰি ধুনু টাও, আনোৱাৰ ছিকদাৰ, কৃষ্ণ দাস, য়েছমিনা খাতুন, ছাজিদা বেগম আৰু প্ৰীতি দাসক অনুশীলনৰ বাবে নিৰ্বাচন কৰা হৈছে।

ooooo

ভাৰত আৰু জিম্বাব্‌ৱেৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ আজি হাৰাৰেত অনুষ্ঠিত চতুৰ্থখন খেলত জিম্বাব্‌ৱে ভাৰতক জয়ৰ বাবে ১৫৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে টছত জিকি জিম্বাব্‌ৱেক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। জিম্বাব্‌ৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৫২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৬ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৬১ ৰাণ সংগ্ৰহ কৰিছে।

শুভমন গিল নেতৃত্বাধীন ভাৰতীয় দলটো বৰ্তমান শৃংখলাত ২-১ ফলাফলেৰে আগবাঢ়ি আছে। শৃংখলাৰ প্ৰথমখন খেলত ভাৰত জিম্বাব্‌ৱেৰ হাতত ১৩ ৰানত পৰাজয়ৰ সন্মুখীন হোৱাৰ বিপৰীতে পৰৱৰ্তী দুয়োখন খেলত জয়লাভ কৰি শৃংখলাত অগ্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে। দ্বিতীয়খন খেলত ভাৰতে ঘৰুৱা দল জিম্বাব্‌ৱেক ১০০ ৰানত পৰাস্ত কৰাৰ বিপৰীতে তৃতীয়খন খেলত ২৩ ৰানত বিজয় জয়লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলে একেখন ষ্টেডিয়ামত অনুষ্ঠিত হ’ব।

ooooo

সমাপ্ত